# তীমথিয়ৰ প্ৰতি প্ৰথম পত্ৰ

১ ১পৌল যি আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ, আৰু আমাৰ আশা
যীচু খ্ৰীষ্ট আদেশ অনুসাৰে খ্ৰীষ্ট যীচুৰ পাঁচনি নিযুক্ত
হৈছে।
২তীমথিয় যি বিশ্বাসেৰে মোৰ প্ৰকৃত পুত্ৰ,
পৰমপিতৃ ঈশ্বৰৰ আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ দয়া
আৰু শান্তি হওক।

### ভাৰি কোৱা শিক্ষকসকলৰ বিৰুদ্ধে চেতনা

৩মাকিদনিয়ালৈ যোৱা সময়ত মই তোমাক যেনেকৈ
ইফিচত থাকিবলৈ কৈছিলোঁ, মই এতিয়াও সেইয়াই
আগ্ৰহেৰে পুনৰ সোঁৱৰাইছোঁ। যাতে তুমি তাত কিছুমান
লোকে যি ভাৰি কোৱা শিক্ষা দি থকা ৪কাল্পনিক, কাহিনী
বিলাক আৰু আশেষ বংশাৱলিত বাদ-বিবাদক উ-পন্ন
কৰিছে, আৰু ঈশ্বৰৰ সেই প্ৰয়োজনক সিদ্ধ হবলৈ দিয়া নাই,
যি বিশ্বাসৰ ওপৰত আধাৰিত, তেনে কথাবোৰ মনোযোগ
দিয়াত বন্ধ কৰিব পাৰা। ৫এই আজ্ঞাৰ প্ৰয়োজন আছে যি
প্ৰেম, পবিত্ৰ হৃদয়, উত্তম বিবেক, আৰু অকল্পিত বিশ্বাসৰ
পৰা উ-পন্ন হয়। ৬কিছুমান লোকে এইবোৰৰ পৰা এফলীয়া
হৈ বিপথে গল, আৰু অনৰ্থক কথাত বাদ-বিবাদত পতিত
হল। ৭তেওঁলোকে বিধানৰ শিক্ষক হবলৈ ইচ্ছা কৰে, কিন্তু
যি বিলাক কয় বা যি কথাবোৰত দৃঢ় নিশ্চয়ৰ কথা কয়, তাক
তেওঁলোকে নুবুজেও।
৮আমি এতিয়া এইটো জানো যে যদি কোনোৱে
ব্যৱস্হাৰ বিধানৰ ঠিক ঠিক ধৰণে প্ৰয়োগ কৰে তেনেহলে
বিধান উত্তম। ৯অৰ্থা-এইটো জানিও বিধান যে ধাৰ্মিক
বিলাকৰ কাৰণে নহয় কিন্তু অধৰ্মী, অবাধ্য, ভক্তিহীন, আৰু
পাপী, অপবিত্ৰ আৰু ধৰ্ম্ম নিন্দক, পিতৃ-মাতৃ বধ কৰোতা,
নৰবধী ১০ব্যাভিচাৰী, পুংমৈথুনী, শোষনকাৰী, শপতকাৰী
এই সকলৰ নিমিত্তে বা এনেধৰণৰ অন্য কৰ্ম্মবোৰৰ নিমিত্তে,
যিবিলাকে উত্তম শিক্ষাক বিৰুধ কৰে। ১১সেই শিক্ষা ঈশ্বৰৰ
মহিমাময়, শুভৱাৰ্তাৰ নিৰাময়। সেই সুগন্ধ ঈশ্বৰৰ পৰা হয়,
আৰু সেইটো মোক দিয়া হৈছে।

### ঈশ্বৰৰ অনুগ্ৰহক ধন্যবাদ

১২মই, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ধন্যবাদ কৰোঁ। মোক
তেওঁৱেই শক্তি দিলে। তেওঁ মোক বিশ্বাসীযোগ্য জানি
নিজৰ পৰিচৰ্য্যাৰ বাবে নিযুক্ত কৰিলে। ১৩যদিও প্ৰথমতে
মই তেওঁৰ অপনান কৰোঁতা, তাড়নাকাৰী, আৰু এজন
গৰ্বী ব্যক্তি আছিলো, কিন্তু মোৰ ওপৰত দয়া কৰা হল,
কিয়নো মই এজন অবিশ্বাসী এইটো নুবুজি সেই সকলো
কৰ্ম্ম কৰিছিলোঁ। ১৪আৰু প্ৰভুৰ অনুগ্ৰহ মোলৈ অতিশয়
ৰূপে বাঢ়িল, আৰু লগতে সেই বিশ্বাস আৰু প্ৰেমো যি
যীচু খ্ৰীষ্টত আছে।
১৫এই কথা বিশ্বাসযোগ্য আৰু সকলোৱে স্বীকাৰ কৰা যোগ্য
যে যীচু খ্ৰীষ্ট এই জগতলৈ পাপী বিলাকক পৰিত্ৰাণ কৰিবৰ
কাৰণে আহিল। তাতে মই সকলোতকৈ ডাঙৰ পাপী হওঁ।
১৬আৰু সেই কাৰণেই মোলৈ দয়া কৰা হল। যীচু খ্ৰীষ্টই এজন
ডাঙৰ পাপী ৰূপে মোক ব্যৱহাৰ কৰি আগলৈ লোকবিলাকে
তেওঁত বিশ্বাস গ্ৰহণ কৰিব তেওঁলোকে অনন্তজীৱন পাবৰ
হেতু এটা আৰ্হি ৰূপে নিজৰ অসীম চিৰসহিষ্ণুতা, প্ৰকাশ
কৰিবৰ বাবে মোক স্হাপিত কৰিলে। ১৭এতিয়া সেই
চিৰস্হায়ী সম্ৰাট অক্ষয়, অদৃশ্য আৰু এক মাত্ৰ ঈশ্বৰৰ মৰ্য্যদা,
সদা-সৰ্বদায়লৈকে গৌৰৱ হৈ থাকক। আমেন।
১৮হে মোৰ পুত্ৰ তীমথিয়, ভৱিষ-বক্তা সকলৰ বাক্যৰ
অনুসাৰে বহুত আগৰ পৰাই তোমাৰ বিষয়ে যি ভাৱবাণী
কৰা হৈছিল, মই তোমাক আজ্ঞা দিছোঁ, যাতে তুমি সেই
অনুসাৰে ১৯বিশ্বাস আৰু উত্তম বিবেক ৰাখি চেতনা যুক্ত
হৈ উত্তম যুদ্ধৰে যুদ্ধ কৰা। কিছুমান এনে আছে যিবিলাকৰ
উত্তম বিবেক আৰু বিশ্বাস ভগ্ন হৈ গৈছে। ২০হুমিনায় আৰু
আলেকজেন্দাৰ এনে আছে, মই তেওঁলোকক চয়তানৰ
হাতত সমৰ্পন কৰিলোঁ যাতে তেওঁলোকক ঈশ্বৰৰ বিৰুদ্ধে
ঈশ্বৰৰ নিন্দা নকৰিবলৈ শিক্ষা দিব পৰা যায়।

### স্ত্ৰী-পুৰষৰ কাৰণে কিছু নিয়ম

২ ১সৰ্ব্ব প্ৰথমে মোৰ বিশেষ ভাৱে এই নিবেদন এয়ে
যে সকলোৰে বাবে আবেদন, প্ৰাৰ্থনা, অনুৰুধ আৰু
এতিয়া সকলো ব্যক্তিবিলাকৰ পৰা ধন্যবাদ দিয়া হওক।
২শাসকসকল আৰু সকলো উচ্চ অধিকাৰীসকলক ধন্যবাদ
দিয়া হওঁক। যাতে আমি ভক্তিৰে সৈতে শান্তিপূৰ্ণ সম্পূৰ্ণ
শ্ৰদ্ধাৰে আৰু ঈশ্বৰৰ প্ৰতি সন্মানপূৰ্বক জীৱন জীয়াব পাৰোঁ।
৩এইয়ে আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰক গ্ৰহণযোগ্য। এইটো
উত্তম।
৪তেওঁ সকলো ব্যক্তিবিলাকৰ পৰিত্ৰাণ বিচাৰে আৰু
বিচাৰে যে তেওঁলোকে সত্যক জানিব পাৰে। ৫কিয়নো
ঈশ্বৰৰ এটাই ইচ্ছা যে আৰু মানুহ তথা ঈশ্বৰৰ মাজত
মধ্যস্হাকাৰী এজনেই। তেওঁ মনুষ্য খ্ৰীষ্ট যীচু। ৬তেওঁ
সকলোৰে নিমিত্তে নিজকে মুক্তিৰ ৰূপে দান কৰিলে।
এইদৰে তেওঁ উচিত সময়ত ইয়াৰ সাক্ষ্য দিছে। ৭তথা এই
সাক্ষ্যৰ প্ৰচাৰ কৰিবৰ নিমিত্তে মোক এজন ঘোষনাকাৰী
আৰু পাঁচনি নিযুক্ত কৰিলে। (এইটো মই সত্য কৈছোঁ,
মিছা নহয়) মই পৰজাতি বিলাকৰ নিমিত্তে বিশ্বাস আৰু
সত্যৰ উপদেশক ৰূপে নিযুক্ত কৰা হলোঁ।

### পুৰুষ আৰু মহিলা সকলৰ বিষয়ে বিশেষ নিৰ্দেশ

৮সেয়ে মোৰ ইচ্ছা যে সকলো ঠাইতে সকলো পুৰুষবিলাকে
পবিত্ৰ হাত দাঙি ঈশ্বৰৰ প্ৰতি সমৰ্পিত হওক কোনো ক্ৰোধ
অথবা বাদ-বিবাদ নকৰাকৈ প্ৰাৰ্থনা কৰক।
৯একেদৰেই তিৰোতাবিলাকৰ পৰাও এইটো বিচাৰোঁ
যে তেওঁলোকে সুলাজ আৰু সুবোধেৰে সৈতে, পৰিপাটি
সহনশীলতা আৰু আত্ম-নিয়ন্ত্ৰণেৰে সৈতে থাকক। নিজে
নিজকে ভূষিত কৰিবলৈ চেলা বটা চুলি, সোণ, মুকুতা
আৰু বহুমূল্য সাজপোচাকেৰে ভূষিত নকৰক, ১০কিন্তু
এওঁলোকে যি নিজে নিজকে ঈশ্বৰৰ ভক্তিকাৰীণি বুলি
স্বীকাৰ কৰে, তেওঁলোকৰ বাবে এইটো উচিত এইটোৱেই
যে তেওঁলোকে উত্তম কৰ্ম্মৰে ভূষিত কৰক।
১১তিৰোতা মানুহে শান্তভাৱে সকলো সমৰ্পনেৰে
সৈতে শিক্ষা গ্ৰহণ কৰক। ১২মই এইটো নিবিচাৰোঁ যে
কোনো তিৰোতাই পুৰুষক শিকাওক পঢ়াওক বা তেওঁৰ
ওপৰত শাসন কৰক। কিন্তু তেওঁ শান্তমনে থাকিব লাগে।
১৩কিয়নো আদমক প্ৰথমে নিৰ্ম্মান কৰা হল আৰু তাৰ
পিছত হাৱাক। ১৪আদমক ভূলুউৱাব পৰা নগল কিন্তু স্ত্ৰীক
ভূলুউৱা হল আৰু পাপত পতিত হল। ১৫কিন্তু তেওঁ যদি
মাতৃৰ কৰ্তব্যবিলাক পালন কৰি বিশ্বাস, প্ৰেম, পবিত্ৰতা আৰু
ঈশ্বৰৰ প্ৰতি সমৰ্পিত হলে তেওঁ নিশ্চয় পৰিত্ৰাণ পাব।

### মণ্ডলীৰ নিৰীক্ষক

৩ ১এইটো কথা বিশ্বাসযোগ্য কথা যে যদি কোনোবাই
নিৰীক্ষক বহলৈ বিচাৰে তেন্তে তেওঁ উত্তম
কৰ্ম্মলৈহে ইচ্ছা কৰে। ২এতিয়া চোৱা তেওঁ এনে এক
জীৱন জীয়াব লাগে যিটো লোকবিলাকে নিন্দনীয় ৰুপে
সমালোচনা যেন কৰিব নোৱাৰে। তেওঁৰ এগৰাকীয়েই পত্নী
হব লাগে, তেওঁ পৰিমিত ভোগী হব লাগে, আত্মসংযমী,
পৰিপাটি, তথা অতিথি সেৱক আৰু শিক্ষা দিয়াত নিপুন
হব লাগে। ৩তেওঁ মদপী হব নালাগে, বা প্ৰহাৰক হব
নালাগে। তেওঁ ক্ষান্ত স্বভাৱী আৰু শান্তিপ্ৰিয় হব লাগে।
তেওঁ পইচাৰ প্ৰেমী হব নালাগে। ৪নিজৰ পৰিয়ালৰ তেওঁ
উত্তম শাসক হব লাগে আৰু নিজৰ সন্তান বিলাকক তেওঁৰ
নিয়ন্ত্ৰণত ৰাখিব লাগে। তেওঁক সন্মান কৰা হব লাগে।
৫(যদি কনোৱাই নিজৰ পৰিয়ালকেই তত্বৱধান লব নাজানে
তেনেহলে তেওঁ ঈশ্বৰৰ মণ্ডলীক কেনেদৰে তত্বৱধান
কৰিব?) ৬তেওঁ এজন নতুন শিষ্য হব নালাগে যাতে তেওঁ
অহংকাৰত যেন গৰ্ব্ব হৈ নাযায়। আৰু চয়তানৰ নিচিনা
দণ্ড পাব লগা নহয়। ৭ইয়াৰ উপৰিও বাহিৰৰ লোকবিলাকৰ
মাজতো উত্তম হব লাগে যাতে তেওঁ কোনো প্ৰকাৰে নিন্দা
যেন নাপায়।

### মণ্ডলীৰ পৰিচাৰক

৮এইদৰে মণ্ডলীৰ পৰিচাৰকবিলাকো সন্মানীয় হব লাগে যাৰ
কথাবোৰ বিশ্বাসযোগ্য হব লাগে। বুহ দ্ৰাক্ষৰসত আসক্ত হব
নালাগে। কুচ্ছিত লাভ বিচাৰা হব নালাগে। ৯তেওঁ পবিত্ৰ
মনৰ হৈ বিবেকত বিশ্বাসৰ নিগুঢ় তত্বাবোৰ ৰখা লোক হব
লাগে। ১০এওঁলোকক প্ৰথমতে নিৰীক্ষকৰ সমানে পৰীক্ষা
কৰিব লাগে। যদি তেওঁৰ বিৰুদ্ধে একো নাথাকে তেতিয়াহে
তেওঁক মণ্ডলীৰ পৰিচাৰকৰ কাৰ্য্য কৰিবলৈ দিব লাগে। ।
১১এইদৰে তিৰোতা বিলাকো ধীৰ, নিৰপবাদক, পৰিমিত-
ভোগী আৰু বিশ্বাসিনী হব লাগে। ১২মণ্ডলীৰ পৰিচাৰকৰ
কেৱল মাত্ৰ এজনীয়েই পত্নী হব লাগে। আৰু নিজৰ সন্তান
বিলাকৰ প্ৰতি আৰু ঘৰখনৰ উত্তম শাসনকৰ্তা হব লাগে।
১৩কিয়নো যদি তেওঁলোক মণ্ডলীৰ এজন এনে পৰিচাৰকৰ
ৰুপত হলে যি উত্তম পৰিচৰ্য্যা কৰা লোক, তেন্তে তেওঁ
নিজৰ কাৰণে সন্মানৰ স্হান অৰ্জন কৰে। যীচু খ্ৰীষ্টৰ প্ৰতি
বিশ্বাসত তেওঁৰ নিশ্চিত আস্হা লাভ কৰিব।

### আমাৰ জীৱনৰ ৰহস্য

১৪মই এই আশাৰে তোমালৈ এই কথা লিখিছোঁ যে মই
সোনকালেই তোমাৰ তালৈ যাম। ১৫যদি মোৰ অহা পলন
হয় তেন্তে মনত ৰাখিবা যে ঈশ্বৰৰ গৃহ, যি ঈশ্বৰৰ মণ্ডলী,
কোনোৱে নিজৰ আচাৰ-ব্যৱহাৰ কেনে হোৱা উচিত তাক
মনত ৰখা ভাল। মণ্ডলীৰ সত্যতাই ভিত্তিমূল আৰু স্তম্ভ।
১৬আমাৰ ধৰ্মৰ সত্যতাৰ নিগুঢ়-তত্ব নি:শ্চয়ৰুপে মহান:

তেওঁ নৰ ৰুপে প্ৰকাশ পালে,
আত্মাই তেওঁক ধাৰ্মিক গণিলে,
স্বৰ্গদূতবিলাকে তেওঁক দেখা পালে,
তেওঁ পৰজাতি বিলাকত ঘোষিত হল,
জগতে তেওঁত বিশ্বাস কৰিলে,
আৰু তেওঁক প্ৰতাপেৰে ওপৰলৈ উঠাই নিয়া
হল।[a]

### ভাঁৰি কোৱা শিক্ষকবিলাকৰ পৰা সাৱধানে থাকা

৪ ১আত্মাই স্পষ্টকৈ কৈছে যে আহিব লগীয়া দিনত
কিছুমান লোক ভ্ৰান্তিত ভাঁৰিকোৱা ভাববাদীবিলাকৰ
শিক্ষা আৰু দুষ্টাত্মাৰ শিক্ষাত মন দিব আৰু বিশ্বাসৰ পৰা খহি
পৰিব। ২সেই মিছলীয়া কপটীয়া লোকবিলাকৰ কাৰণে এনে
ঘটিব যিব লিকৰ নিজ বিবেক তপত লোৰে দাগ দিয়া হল।
৩তেওঁলোকে বিবাহ নিষেধ কৰিব। কিছুমান বস্তুও খাবলৈ
নিষেধ কৰিব যিবোৰ ঈশ্বৰৰ বিশ্বাসীবিলাকৰ আৰু যি বোৰ
সত্যক চিনি পায়, সে ইবোৰ ধন্যবাদ দি গ্ৰহণ কৰিবলৈ বনোৱা
হৈছে। ৪কিয়নো ঈশ্বৰৰ সৃষ্ট প্ৰত্যেকটো বস্তুৱেই উত্তম
আৰু কোনো বস্তুৱেই ত্যাগ কৰা যোগ্য নহয় কিন্তু সেইবোৰ
ধন্যবাদেৰ সৈতে গ্ৰহণ কৰিব লাগে। ৫কিয়নো সেইবোৰ
ঈশ্বৰৰ বাক্য আৰু প্ৰাৰ্থনাৰ দ্বাৰা সকলো পবিত্ৰ হৈ যায়।

### খ্ৰীষ্টৰ উত্তম পৰিচাৰক হোৱা

৬যদি তুমি ভাইবিলাকক এই কথাবোৰ মনত পেলাই
থাকিলে, তেন্তে খ্ৰীষ্ট যীচুৰ এনে উত্তম পৰিচাৰক হবা যাৰ

[a] **৩:১৬ খ্ৰীষ্ট** শব্দ, "কোন", কিছুমান যুনানী প্ৰতিলিপিত, "ঈশ্বৰ" আছে।

প্ৰতিপালিত, বিস্বাসৰ দ্বাৰা আৰু তেওঁৰ সত্য শিক্ষাৰ দ্বাৰা
হয় যিটো তুমি গ্ৰহণ কৰিলা। ৭বুঢ়ী মানুহৰ ঈশ্বৰ বিহীন
অনৰ্থক গল্প কথাৰ বিৰত থাকি ঈশ্বৰৰ পৰিচৰ্য্যাৰ কাৰণে
নিজকে নিপুন হবলৈ লাগি থাকা। ৮কিয়নো শাৰীৰিক কথাত
নিপুনতাৰে অলপ লাভ হয়, কিন্তু ঈশ্বৰৰ ভক্তি সকলো
প্ৰকাৰৰ মূল্যৱান লাভজনক, কিয়নো আজিৰ এই সময়ত
আৰু আহিবলগীয়া জীৱনৰ প্ৰতি দিয়া হোৱা আৰ্শীবাদযুক্ত।
৯এই কথাত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব পাৰ যায় আৰু এইটো
সম্পূৰ্ণ বিশ্বাসযোগ্য। ১০আৰু আমি এইকাৰণেই কঠিন
পৰিশ্ৰম কৰোঁ আৰু প্ৰাণপনো কৰোঁ। আমি আমাৰ আশা
সকলোকে, বিশেষকৈ বিশ্বাসীবিলাকৰ কাৰণে, উদ্ধাৰকৰ্তা
জীৱিত ঈশ্বৰৰ ভাৰসা কৰিছোঁ।
১১এই কাথাবোৰৰ আদেশ আৰু শিক্ষা দিয়া। ১২তুমি
এতিয়া ডেকা। এই কাৰণে তোমাক যাতে কোনোৱে
হেয়জ্ঞান নকৰে। কিন্তু তুমি নিজৰ কথা-বতৰা, আচাৰ-
ব্যৱহাৰ, প্ৰেম-প্ৰকাশনত, নিজৰ বিশ্বাস আৰু পৱিত্ৰতাৰ
জীৱনেৰে বিশ্বাসীবিলাকৰ কাৰণে আৰ্হি হোৱা।
১৩মই নোযোৱালৈকে তুমি শাস্ত্ৰক সাৰ্বজনিন ভাৱে
পাঠ কৰা, আৰু শিক্ষা আৰু উপদেশ দিয়াত মনোযোগ
কৰা। ১৪তোমাক যি অনুগ্ৰহ দিয়া হৈছে, তুমি তাৰ ব্যৱহাৰ
কৰা এইটো তোমাক ভাৱবাদীবিলাকৰ ভাৱবাণীৰ পৰিমান
স্বৰূপে বৃদ্ধলোকৰ দ্বাৰাই তোমাৰ ওপৰত হাত ৰাখি দিয়া
হৈছে। ১৫এই কথাবোৰ মনত ৰাখিবা। এইবিলাকতেই
স্হিৰে থাকা যাতে তোমাৰ প্ৰগতি সকলোলোকৰ আগত
প্ৰকাশইত হওক। ১৬নিজৰ জীৱনৰ আৰু উপদেশৰ বিষয়ে
সাৱধানে থাকিবা। আৰু এইবোৰতে থাকা, কিয়নো এনে
আচৰন কৰি থাকিলে তুমি নিজকে আৰু শুনোতাবিলাকৰো
পৰিত্ৰাণ কৰাবা।

৫ ১কোনো বৃদ্ধ বয়সৰ ব্যক্তিক নহকিয়াবা, কিন্তু
তেওঁলোকক পিতৃৰ নিচিনাকৈ তেওঁলোকৰ প্ৰতি
নম্ৰতা হোৱা। নিজতকৈ সৰু বিলাকৰ সৈতে নিজৰ ভাইৰ
দৰে ব্যৱহাৰ কৰা। ২বৃদ্ধ মহিলাবিলাকক মাতৃৰদৰে, আৰু
যুৱতি বিলাকক নিজৰ ভনীৰ দৰে ভাৱি সম্পূৰ্ণ পৱিত্ৰতাৰে
ব্যৱহাৰ কৰিবা।

## বিধৱাসকলৰ চোৱাচিতা কৰা

৩সেই বিধৱাবিলকক সমাদৰ কৰিবা আচলতে বিধৱা হয়।
৪কিন্তু যদি কোনো বিধৱাৰ সন্তান সন্ততি থাকে তেন্তে
তেওঁলোকক প্ৰথমতে নিজৰ ঘৰ বাৰীৰ চোৱা-চিতা
কৰিবলৈ শিকিব লাগে। তেওঁলোকে নিজৰ পিতৃ-মাতৃৰ
পালন-পোষণ কৰিবলৈ শিকক কিয়নো ইয়াৰে ঈশ্বৰৰ
প্ৰসন্ন হয়। ৫কিন্তু যি জনী তিৰোতা স্বৰূপেই বিধৱা হয়
আৰু তেওৰ আলৈপৈচান লোৱা কোনো নাই, কেৱল
মাত্ৰ ঈশ্বৰেই তেওঁৰ আশা-ভাৰসা তেওঁ দিনে ৰাতিয়ে
প্ৰাৰ্থনাত লাগি থাকে। ৬কিন্তু ইন্দিয়সুখত মগ্ন থাকে তেওঁ
জীয়াই থাকোঁতেই মৰা। ৭এইকাৰণে বিশ্বাসী বিলাকক এই
কথাবোৰৰ (তেওঁলোকৰ সহায় কৰা)আদেশ দিয়া যাতে
কোনোৱে তেওঁৰ সমালোচনা কৰিব নোৱাৰে। ৮কিন্তু যদি
কোনোৱে নিজৰ সমন্ধীয়, বিশেষকৈ নিজৰ পৰিয়ালৰ
সদস্যৰ নিমিত্তে চিন্তা নকৰে তেনেহলে তেওঁ বিশ্বাসৰ পৰা
আঁতৰি গল, তেওঁ অবিশ্বাসী বিলাকতকৈয়ো অধিক বেয়া।
৯সেই বিধৱা বিলাকৰ বিশেষ সূচীত যি বিলাক আৰ্থিক
সহায় লৈ আছে তেওঁলোকৰ নাম লিখা হওক যি বিলাক
কমেও ষাঠি বছৰ হৈ গৈছে আৰু পবিত্ৰতাৰে আছে।
১০আৰু যি বিলাকে লৰা-ছোৱালীক প্ৰতিপালন কৰি, অতিথি
সেৱাত পবিত্ৰ বিলাকৰ ভৰি ধূই ক্লেশ পোৱাবিলাকৰ প্ৰতি
উপকাৰ কৰি, ভাল কৰ্ম্মৰ প্ৰতি সমৰ্পিত হৈ সকলো প্ৰকাৰে
উত্তম কাৰ্য্যবোৰৰ কাৰণে যেন জনাজাত হয়।
১১কিন্তু যুৱতী-বিধৱা বিলাকক এই সূচীত অৰ্ন্তভুক্ত
নকৰিবা কিয়নো খ্ৰীষ্টৰ প্ৰতি তেওঁলোকৰ সমৰ্পনত
এতিয়া ইন্দ্ৰিয়-সুখাভিলাষিনী হোৱাত আকৌ বিবাহ হবলৈ
বিচাৰে। ১২তেওঁলোক অপৰাধীনী। কিয়নো তেওঁলোকে
নিজৰ বিশ্বাসঘাতকনী হল। ১৩ইয়াৰ উপৰিও তেওঁলোক
এলেহুৱা। তেওঁলোক এটা ঘৰৰ পৰা আনটো ঘৰলৈ ঘুৰি
থাকে, তেওঁলোক কেৱল এলেহুৱাই নহয় কিন্তু টুটকীয়া
আৰু লোকৰ মন চোৱা হৈ অনুচিত কবলৈ শিকে যিটো
তেওঁলোকে কব নালাগে। ১৪এইকাৰণে মই বিচাৰোঁ যে
যুৱতী বিধৱাবোৰে বিয়া পাতি সন্তান বোৰৰ পোহ-পালন
কৰি গৃহিনীৰ কৰ্ম্ম কৰক যাতে আমাৰ শত্ৰুবিলাকে আমাৰ
ওপৰত কোনো ধৰণৰ বিপক্ষে কথা কবলৈ সুযুগ নাপায়।
১৫মই এইটো এইকাৰণে কৈছোঁ যে যিবিলাক বিধৱাই ভ্ৰান্ত
হৈ চয়তানৰ পথত চলিবলৈ ধৰিলে।
১৬যদি কোনোবা বিশ্বাসী মহিলাৰ ঘৰত বিধৱা থাকিলে
তেন্তে তেওঁৰ সহায় নিজেই কৰিব লাগে আৰু মণ্ডলীৰ
ওপৰত কোনো ভাৰগ্ৰস্হ হব নালাগে, যাতে মণ্ডলীয়ে
স্বৰূপ বিধৱাৰ হে উপকাৰ কৰিব পাৰে।[a]

## বৃদ্ধ আৰু অন্য কথাবোৰৰ বিষয়ে

১৭কোনো বৃদ্ধলোকে মণ্ডলীৰ উত্তমৰূপে শাসন কৰে,
তেওঁলোক দুগুণ সন্মানৰ যোগ্য পাত্ৰ। বিশেষকৈ যি সকলে
উপদেশ আৰু বাক্য শিকায়। ১৮কিয়নো শাস্ত্ৰত কোৱা হৈছে,
“মপণা মাৰোঁতে গৰুৰ মুখত মোখোৰা নাবান্ধিবা।”[b] কিয়নো,
“বনুৱাই নিজৰ মজুৰি পাবলৈ অধিকাৰ আছে।”[c]
১৯কোনো বৃদ্ধ লোকৰ বিৰুদ্ধে যদি কিবা অপবাদ থাকে
তেন্তে তেতিয়ালৈকে গ্ৰহণ কৰিব নালাগে যেতিয়ালৈকে
তিনিজন সাক্ষী নিদিয়ে। ২০যি জনে পাপত লাগি থাকে
তেওঁলোকক সকলোৱে আগত অনুযোগ কৰা যাতে আন
লোকেও যেন ভয় কৰে।
২১ঈশ্বৰ যীচু খ্ৰীষ্ট আৰু মনোনীত স্বৰ্গদূতবিলাকৰ
সাক্ষাতে সত্যৰে সৈতে দৃঢ় আজ্ঞা দিছোঁ যে তুমি সম্পূৰ্ণকৈ

[a] **৫:১৬ মহিলা … তেওঁৰ** কিছুমান যুনানী প্ৰতিলিপিত আছে, “মহিলা বা পুৰুষ”
[b] **৫:১৮** উদাহৰণ দ্বিতীয় বিৱৰণ ২৫:৪
[c] **৫:১৮** উদাহৰণ লূক ১০:৭

শুনি বুজি এই কথাবোৰ পালন কৰিবা। পক্ষপাতেৰে কোনো
কাম নকৰিবা।
২২কোনো বিচাৰ নকৰাকৈ কাকো মণ্ডলীৰ পৰিচাৰক
বনাবলৈ তেওঁৰ ওপৰত শীঘ্ৰেই হাত নাৰাখিবা। কাৰো
পাপৰ ভাগী নহবা। নিজকে সদায় পবিত্ৰ কৰি ৰাখা।
২৩কেৱল পানীয়েই খাই থাকিবা, কিন্তু নিজৰ উদৰৰ আৰু
ঘনে ঘনে হোৱা দুৰ্বলতাৰ পৰা বাছি থাকিবৰ কাৰণে কিছু
কিছু দ্ৰাক্ষাৰসো ব্যৱহাৰ কৰিবা।
২৪কোনো কোনো লোকবিলাকৰ পাপ স্পষ্টৰূপে প্ৰকাশ
পায়, আৰু বিচাৰৰ বাবে প্ৰস্তুত কৰি দিয়া হয়, কিন্তু আন
লোকবিলাকৰ পাপ পাছতহে প্ৰকাশ পায়। ২৫এইদৰে ভাল
কৰ্ম্মও স্পষ্ট ৰূপত প্ৰকাশ হৈ যায় কিন্তু যিবোৰ প্ৰকাশ
নাপায় সেইবোৰো লুকাই থাকিব নোৱাৰে।

## দাসসকলৰ বিষয়ে বিশেষ নিৰ্দেশ

৬ ১লোকবিলাকে যি অন্ধবিশ্বাসৰ যুৱলিৰ তলত দাস
হৈ আছে, তেওঁলোক নিজৰ স্বামীবোৰক সন্মানৰ
যোগ্য ভাৱিব লাগে যাতে ঈশ্বৰৰ নাম আৰু আমাৰ শিক্ষাত
যেন নিন্দিত নহয়। ২আৰু এনে দাসেও যাৰ স্বামী বিশ্বাসী
হয় কেৱল এইকাৰণেই নহয় যে তেওঁ তেওঁলোকৰ
ভাই বুলি ভাৱি কম সমাদৰ নকৰক কিন্তু তেওঁক নিজৰ
স্বামীবিলাকৰ আৰু অধিক পৰিচৰ্য্যা কৰিব লাগে কিয়নো
যি ইয়াৰ ফল ভোগ কৰি আছে, তেওঁ বিশ্বাসী, যাক তেওঁ
প্ৰেম কৰে।
এই কাথবোৰ শিকাই থাকা আৰু এইবোৰৰ প্ৰচাৰ কৰি
থাকা।

## মিছা শিক্ষা আৰু প্ৰকৃত ধন

৩যদি কোনোবাই এইবোৰৰ বাহিৰে অন্য কথাবোৰ শিকায়
আৰু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সেই সত্য বাক্যবোৰত
মান্তি নহয় আৰু ভক্তিৰ পৰিপূৰ্ণ শিক্ষাত সন্মতি নহয়,
৪তেনেহলে তেওঁ অহংকাৰত ধূৱাঁকুৱাঁ লগা আৰু একো
নাজানে। তেওঁ বাদ-বিবাদ আৰু বাগযুদ্ধৰোগত ৰোগাগ্ৰস্হ।
এই কথাবোৰ অসুয়া, বিবাদ, নিন্দা, চোভামনা, আৰু মনভ্ৰষ্ট,
দণ্দ-কাজিয়া ৫আৰু এই লোক বিলাকৰ মাজত বুদ্ধিহেৰাই
গল, তেওঁলোকে নিৰন্তৰে মতানৈক্য উৎপন্ন কৰো,
তেওঁলোক সত্যৰ পৰা বঞ্চিত এই লোকবিলাকৰ ভাৱ যে
ঈশ্বৰৰ পৰিচৰ্য্যা ধন লাভৰ এটা উপায় বুলি।
৬নিশচয়েই ঈশ্বৰৰ পৰিচৰ্য্যাৰ দ্বাৰাহে ব্যক্তি সম্পন্ন হয়।
ইয়াৰে সন্তোষ হয়। ৭কিয়নো আমি সজগতলৈ একোকে লৈ
আহা নাই আৰু ইয়াৰ পৰা আমি একো লৈ যাব নোৱাৰিম।
৮সেয়ে যদি আমাৰ ওচৰত অন্ন আৰু বস্ত্ৰ থাকিলে, আমি
তাতেই সন্তোষ্ট হম। ৯কিন্তু তেওঁলোক যিবিলাকে ধনৱন্তু
হবলৈ ইচ্ছা কৰে তেওঁবিলাকে প্ৰলোভনত পৰি ফান্দত
পৰি যায়, আৰু তেওঁলোকক অনে অনেক অজ্ঞান আৰু
বিনাশকাৰী ইচ্ছাই ঘেৰি পেলাই যিবোৰে লোকবিলাকক
পতনৰ আৰু বিনাশৰ খালত পেলাই দিয়ে। ১০কিয়নো
ধনৰ মোহেই সকলো প্ৰকাৰৰ মন্দৰ জন্ম দিয়ে। কিছুমান
লোকে নিজৰ ইচ্ছাৰ কাৰণেই বিশ্বাসৰ পৰা খহি পৰে আৰু
তেওঁলোকে নিজৰ কাৰণে মহা-ক্লেশৰ সৃষ্টি কৰিলে।

## মনত ৰখা যোগ্য কথাবোৰ

১১কিন্তু হে ঈশ্বৰৰ লোক, তুমি এই কথাবোৰৰ পৰা দূৰত
থাকা, আৰু ধাৰ্মিকতা, ভক্তিপূৰ্ণ পৰিচৰ্য্যা, বিশ্বাস, প্ৰেম,
ধৈৰ্য্য আৰু মৃদুভাৱেৰ এইবোৰত লাগি থাকা। ১২আমাৰ
বিশ্বাসে যি উত্তমতাক অপেক্ষা কৰে তুমি সেইবোৰৰ
কাৰণে প্ৰাণপণ যুদ্ধ কৰি থাকা আৰু নিজৰ বাবে অনন্ত
জীৱন অৰ্জন কৰা। তোমাক এই কাৰণেই আমন্ত্ৰণ কৰা
হৈছে। তুমি বহুত সাক্ষীবিলাকৰ আগত সেইবোৰ
ভালদৰেই স্বীকাৰ কৰিছা। ১৩ঈশ্বৰৰ আগত, যি সকলোকে
জীৱন দান দিয়ে আৰু যীচু খ্ৰীষ্টৰ সন্মুখত যিজনাই পন্তীয়
পীলাতৰ আগত সেই উত্তম সাক্ষ্যক স্বীকাৰ কৰিছিল। মই
তোমাক এই আদেশ দিছোঁ যে ১৪যেতিয়ালৈকে আমাৰ
প্ৰভু যীচু খ্ৰীষ্ট প্ৰকাশিত নহয়মানে তোমাক যি আদেশ
দিয়া হৈছে, তুমি তাতেই নিষ্কলঙ্ক ভাৱে কোনো কম
নোহোৱাকৈ চলি থাকা। ১৫তেওঁ সেই পৰম ধন্য, একমাত্ৰ
পৰাক্ৰমী জনা, ৰজাৰো ৰজা, আৰু প্ৰভুৰো প্ৰভুক উচিত
সময়ত আৰ্বিভাৰ দেখুৱাব। ১৬তেওঁ অগম্য দ্বীপ্তি নিবাসী,
তেওঁক কোনেও দেখা নাই, আৰু কোনোৱে দেখা পাব
নোৱাৰে, তেওঁৰ সন্মান আৰু অনন্ত শক্তিৰ বিস্তাৰ হৈ
থাকক। আমেন।
১৭বৰ্তমান যুগৰ বস্তুবিলাকৰ কাৰণে যি বিলাকে ধনৱন্ত
হৈ আছে, তেওঁলোকক আদেশ দিয়া যাতে তেওঁলোকে
অহংকাৰ নকৰক। আৰু সেই ধন যি শীঘ্ৰে গুচি যাব তাৰ
ওপৰত ভাৰসা নকৰক। ঈশ্বৰৰ ওপৰতেই নিজৰ সম্পূৰ্ণ
আশা ভাৰসা ৰাখি থাকক যি আমাক আনন্দৰ হেতু
সকলোকে বাহুল্যৰূপে দিছে। ১৮তেওঁলোকক আজ্ঞা দিয়া
যে তেওঁলোকে ভাল-ভাল কৰ্ম্ম কৰক। উত্তম কৰ্ম্মৰে
ধনৱন্ত হওক। উদাৰ হওক আৰু আনৰ সৈতে নিজৰ
বস্তুবোৰ ভগাই লওক। ১৯এনে কৰিলে তেওঁলোকে স্বৰ্গীয়
ভৰালত সঞ্চয় কৰিব যি ভৱিষৎৰ কাৰণে সিদ্ধ ভিত্তিমূল
হব। ইয়াৰে তেওঁলোক প্ৰকৃত জীৱন ধাৰণ কৰিব।
২০তীমথিয়, তোমাক যি গতাই দিয়া হৈছে, তুমি তাক
পহৰা দিয়া, অনৰ্থক সাংসাৰিক কথাবোৰৰ পৰা বাছি থাকা।
আৰু মিছা জ্ঞানৰ সমন্বিত কথাৰ বিৰোধী বিশ্বাস, সেইবোৰৰ
পৰা দূৰ হোৱা কিয়নো ২১কিছুমান লোকে সেইবোৰ স্বীকাৰ
কৰি বিশ্বাসৰ পৰা খহি পৰিলে।
ঈশ্বৰৰ অনুগ্ৰহ তোমাৰ লগত থাকক।